**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-09-2026
**Time :** 9-25 PM

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

দেশৰ সৌৰ সামৰ্থ্যই ১৬৮ দশমিক শূণ্য চাৰি গিগাৱাট স্পৰ্শ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সন্তুষ্টি প্ৰকাশ কৰিছে। নৱীকৰণযোগ্য শক্তি খণ্ডই বিশেষ অগ্ৰাধিকাৰ লাভ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে এই বিষয়ে সদৰী কৰিছে। উল্লেখযোগ্য যে, নৱীকৰণযোগ্য তথা নিকা শক্তি খণ্ডত বিশেষ গুৰুত্বসহ দেশত পৰিৱেশ সম্পৰ্কীয় কাম-কাজসমূহ বিকশিত কৰা হৈছে। সম্প্ৰতি দেশৰ মুঠ নৱীকৰণযোগ্য শক্তি সামৰ্থ্য প্ৰায় ২৯৫ দশমিক ৫-৫ গিগাৱাট। খনি আৰু খনিজ পদাৰ্থ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই এই সন্দৰ্ভত কয়, যে দেশৰ জলবায়ু সম্পৰ্কীয় কাম-কাজৰ প্ৰগতি ত্বৰান্বিত কৰাত নৱীকৰণযোগ্য শক্তি খণ্ডৰ গুৰুত্ব ক্ৰমাৎ বৃদ্ধি পাইছে।

০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱ কাইলৈ বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। সত্ৰপীঠ মাজুলীৰ সত্ৰ, নামঘৰসমূহত ইতিমধ্যে শংকৰদেৱৰ জন্মোৎসৱ বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈছে। উজনি মাজুলীৰ এলেঙ্গি টকৌবাৰী সত্ৰত শ্ৰীৰাম ভকতিদ্বাৰ আঞ্চলিক ধৰ্মালোচনা সভাৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হৈছে। আজি প্ৰথম দিনা পুৱা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, নাম-প্ৰসঙ্গ, ধৰ্ম-ধ্বজা উত্তোলন, বৰগীত, চিত্ৰাংকণ আৰু দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাইলৈ মুকলি সভা, বঁটা বিতৰণী অনুষ্ঠান আৰু নিশালৈ স্থানীয় যুৱকৰ সহযোগত হৰিচন্দ্ৰ উপাখ্যান ভাওনা প্ৰদৰ্শন কৰা হ'ব।

নগাঁও জিলাৰ বিভিন্ন প্ৰান্ততো বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথিৰ আয়োজন কৰা হৈছে। বিশেষকৈ শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা সত্ৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে।

০০০০০০০

সীমান্তত নিৰাপত্তা আৰু আইন শৃংখলা সুনিশ্চিত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপৰ অংশ হিচাপে দুগৰাকী অবৈধ বিদেশী নাগৰিকক আজি আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি সীমান্ত সুৰক্ষা বাহিনীৰ হাতত অৰ্পণ কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে আজি এইকথা সদৰি কৰে। তেওঁ লগতে কয়, যে প্ৰয়োজনীয় পৰৱৰ্তী ব্যৱস্থাৰ বাবে বিদেশী নাগৰিককেইজনক সংশ্লিষ্ট কৰ্তৃপক্ষৰ জিম্মালৈ হস্তান্তৰ কৰা হয়।

০০০০০০০

বিশিষ্ট কবি, গীতিকাৰ আনিছ উজ জামানৰ আজি দেহাৱসানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁৰ বিয়োগে সাহিত্য আৰু সমাজ জীৱনত অপূৰণীয় শূন্যতাৰ সৃষ্টি

কৰিছে। তেওঁ বিশিষ্ট কবি, অনুবাদকগৰাকীৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা বিশিষ্ট কবিগৰাকীয়ে আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৯ বছৰ। তেওঁ অসম লোকসেৱা আয়োগৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৪৭ চনত শিৱসাগৰৰ বৰুৱা বামুণবাৰীত জন্মগ্ৰহণ কৰা আনিছ উজ জামানে ১০ খনতকৈ অধিক গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। তেওঁৰ প্ৰকাশিত কাব্যগ্ৰন্থসমূহৰ ভিতৰত অজ্ঞাতে, গধূলি, সেউজীয়া জোন, এই বাটেদিয়েই আৰু দোকমোকালি অন্যতম। ইয়াৰ উপৰি তেওঁ হাইকু কবিতা, কেইবাখনো শিশু গ্ৰন্থ আৰু অনুবাদগ্ৰন্থ ৰচনা কৰি থৈ গৈছে। অসম কবি সন্মিলনে কবিগৰাকীক কাব্যৰত্ন সন্মান প্ৰদান কৰাৰ লগতে অসম সাহিত্য সভাই জাতীয় কবি হিচাপে স্বীকৃতি প্ৰদান কৰিছিল। তেওঁৰ শেষকৃত্য কাইলৈ পুৰা আঠগাঁও কবৰস্থানত সম্পন্ন কৰা হ'ব।

০০০০০০০

ভাৰত ত্যাগ আন্দোলনৰ অসমৰ শ্বহীদসকলক সুঁৱৰি ৰাজ্যৰ বিভিন্ন স্থানত শ্বহীদ দিৱস পালন কৰা হয়। শ্বহীদ দিৱস উপলক্ষে আজি বিশ্বনাথ জিলাৰ গহপুৰত ভাৰত ত্যাগ আন্দোলনত ব্ৰিটিছৰ গুলীত মৃত্যুবৰণ কৰা অমৰ শ্বহীদ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিক সশ্ৰদ্ধ স্মৰণ কৰা হয়। গহপুৰত থকা বীৰাংগনা কনকলতা বৰুৱাৰ প্ৰতিমূৰ্তিত বিধায়ক উৎপল বৰাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পাছতে ধূপ-চাকি জ্বলাই পুষ্পাঞ্জলিৰে সকলোৰে শ্বহীদগৰাকীক শ্ৰদ্ধাঞ্জলি জনায়।

শ্বহীদ দিৱস উপলক্ষে এছ বি আই ফাউণ্ডেছন আৰু গ্ৰাম্য বিকাশ মঞ্চই বিশ্বনাথ জিলাৰ ৰাইজৰ সহযোগত বীৰাংগনা শ্বহীদ কনকলতা বৰুৱাৰ ত্যাগ আৰু বীৰত্ব শ্ৰদ্ধাৰে সোঁৱৰাৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰে। ইয়াৰ সৈতে সংগতি ৰাখি আজি জিলাখনৰ বৰঙাবাৰীত এছ বি আই সন্মান প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়। এই প্ৰকল্পৰ জৰিয়তে সমাজৰ বিভিন্ন ক্ষেত্ৰত উন্নয়নমূলক কাম-কাজ কৰা হ'ব। প্ৰকল্পৰ অধীনত ১০০ গৰাকী যুৱক-যুৱতীক প্ৰতিৰক্ষা বাহিনীৰ সৈতে জড়িত চাকৰিৰ বাবে প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে বীৰাংগনা কনকলতা বৰুৱা যুৱ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। মহিলাসকলৰ দক্ষতা বিকাশ আৰু আত্মনিৰ্ভৰশীলতাৰ বাবে প্ৰেৰণা কেন্দ্ৰ স্থাপন কৰি তেওঁলোকক কাটিং আৰু চিলাইৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে।

মৰিগাঁও জিলা যোগী সন্মিলনৰ উদ্যোগত আৰু বৰিবন্ধা আঞ্চলিক সমিতিৰ সহযোগত জামুগুৰিত আজি দিনজোৰা কাৰ্যসূচীৰে ৪২'ৰ শ্বহীদ মনবৰ নাথ স্মৃতি দিৱস পালন কৰা হয়। এই উপলক্ষে মনবৰ নাথ স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়।

০০০০০০০

ভাৰতীয় পুৰুষ হকী দলে এছিয়ান গেমছত জয়েৰে অভিযান আৰম্ভ কৰিছে। ভাৰতে আজি জাপানৰ কাকামি গাহাৰাত অনুষ্ঠিত পুল এৰ নিজৰ প্ৰথমখন খেলত ইণ্ডোনেছিয়াক ১৩-০১ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ দিলপ্ৰীত সিঙে চাৰিটা গ'ল দিয়ে। অভিষেক, ৰাজিন্দৰ সিং, মনদীপ সিং, অধিনায়ক হৰমনপ্ৰীত সিং আৰু যুগৰাজ সিঙে এটাকৈ গ'ল দিয়ে। ইণ্ডোনেছিয়াৰ হৈ অউলিয়া অল আৰহদে একমাত্ৰ গ'লটো দিয়ে। ভাৰত মঙলবাৰে হ'বলগীয়া নিজৰ দ্বিতীয়খন খেলত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে ভাৰতৰ মহিলা হকী দলে গীফু জিলাৰ গ্ৰীণ ষ্টেডিয়ামত অনুষ্ঠিত পুল বিৰ নিজৰ প্ৰথমখন খেলত উজবেকিস্তানক ১৯-০ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ দীপিকা শ্বেহৰাৱটে ৮ টা গ'ল দিয়ে। ইশ্বিকা চৌধৰীয়ে তিনিটা, লালথণ্ট লোৱাংগি আৰু নেহাই দুটাকৈ গ'ল দিয়ে। ভাৰতীয় মহিলা দলটো কাইলৈ পৰৱৰ্তী খেলত ইণ্ডোনেছিয়াৰ সন্মুখীন হ'ব।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ